# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-09-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ভাৰতীয় জনতা পাৰ্টীয়ে দেশজুৰি আৰম্ভ কৰা সদস্যভৰ্তি অভিযানৰ অধীনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সদস্যপদ নবীকৰণ কৰি অসমত এই অভিযানৰ আৰম্ভণি কৰে। সেই অনুসৰি আজি সাধাৰণ সম্পাদক তথা সদস্যভৰ্তি অভিযান, ২০২৪-ৰ আহ্বায়ক পল্লৱলোচন দাসৰ তত্বাৱধানত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে দলৰ সভাপতি ভৱেশ কলিতাৰ পৰা সদস্যপদ গ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, মন্ত্ৰী জয়ন্ত মল্লবৰুৱাকে ধৰি ৫ শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে। সদস্যপদ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই বিজেপি মূলতঃ কাৰ্যকৰ্তাৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি তেওঁলোকৰ শক্তিয়ে দলটোক প্ৰাণৱন্ত কৰি ৰাখিছে বুলি মন্তব্য কৰে। বিজেপি বুলি ক'লে তৃণমূল পৰ্যায়ৰ পৰা কৰ্ম কৰি প্ৰধানমন্ত্ৰীৰ পদবীলৈকে যাব পৰা তথা নিজকে ৰাষ্ট্ৰৰ হকে উচৰ্গা কৰা একোজন ব্যক্তিৰ ছবি সকলোৰে সন্মুখলৈ আহে বুলি তেওঁ কয়। দলটোৰ প্ৰতিগৰাকী সদস্যই ভাৰত মাতাৰ প্ৰতি সমৰ্পিত কাৰ্যকৰ্তা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিশেষত্বই দলটোক আজি বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দলত পৰিণত কৰিছে।

০০০০০

অসমৰ প্ৰাক্তন ৰাজ্যপাল তথা বৰ্তমান পাঞ্জাবৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক আজি অসম চৰকাৰৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। পঞ্চায়ত তথা গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে পাঞ্জাবৰ ৰাজভৱনত শ্ৰী কাটাৰিয়াক সাক্ষাৎ কৰি এখন ফুলাম গামোচা আৰু শৰাইৰ লগতে মুখ্যমন্ত্ৰীয়ে প্ৰেৰণ কৰা ধন্যবাদসূচক প্ৰস্তাৱ অৰ্পণ কৰে। মন্ত্ৰী দুগৰাকীয়ে অসম আৰু পাঞ্জাবৰ মাজত সাংস্কৃতিক বিনিময়ৰ ক্ষেত্ৰত উদ্যোগ ল'বলৈও পাঞ্জাবৰ ৰাজ্যপালগৰাকীক আহ্বান জনায়। উল্লেখযোগ্য যে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত মহেন্দ্ৰ মোহন চৌধুৰী পাঞ্জাবৰ ৰাজ্যপাল হৈ থকাৰ সময়ত পাটিয়ালা বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠা কৰাৰ উপৰি ১৯৭৪ চনত অসমৰ খাদ্য সংকটৰ সময়ত তদানীন্তন ৰাজ্যপাল মহেন্দ্ৰ মোহন চৌধুৰী আৰু মুখ্যমন্ত্ৰী জাইল সিঙে অসমলৈ খাদ্য সামগ্ৰী প্ৰেৰণ কৰি সাহায্য আগবঢ়াইছিল। পাঞ্জাবৰ ৰাজভৱনত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত ভাষণ দি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দুয়োখন ৰাজ্যৰ মাজত থকা পুৰণি সম্পৰ্কক আৰু অধিক দৃঢ় কৰি তুলিবৰ বাবে আহ্বান জনায়। তদুপৰি পাঞ্জাব আৰু অসমৰ কৃষ্টি-সংস্কৃতিক দুয়োখন ৰাজ্যতে প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰি সম্প্ৰীতিৰ এনাজৰী আৰু অধিক সুদৃঢ় কৰাত উদ্যোগ ল'বলৈ শ্ৰী কাটাৰিয়াক আহ্বান জনায়। এনেধৰণৰ সাংস্কৃতিক বিনিময়ে জনসাধাৰণক সাংস্কৃতিক মত বিনিময়ৰ সুযোগ প্ৰদান কৰাৰ লগতে সু-সম্পৰ্ক বৰ্তি থাকিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

০০০০০

খিলঞ্জীয়া মুছলমানৰ অধিকাৰৰ হকে সংগ্ৰাম অব্যাহত ৰখা দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ এটা সঁজাতি দলে আজি শিৱসাগৰ ভ্ৰমণ কৰে। সংগঠনটোৰ সভাপতি ইছলামুল হক মণ্ডলৰ নেতৃত্বত অহা ৪ জনীয়া দলটোৱে আজি এখন সংবাদমেল সম্বোধন কৰি দেশী, গৰিয়া-মৰিয়া, চৈয়দ আৰু জলহা খিলঞ্জীয়া মুছলমানসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী উত্থাপন কৰে। সজাতি দলটোৱে উজনিলৈ কাম কৰিবলৈ যোৱা দেশী শ্ৰমিকসকলৰ নিৰাপত্তা

সুনিশ্চিত কৰাৰ উদ্দেশ্যে বীৰ লাচিত সেনা, সদৌ অসম টাই-আহোম ছাত্ৰ সন্থাৰ লগতে অন্যান্য সংগঠনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হয়। সংগঠনসমূহৰ শীৰ্ষ নেতৃত্বই অসমৰ ভূমি পুত্ৰ দেশী জনগোষ্ঠীৰ সহযোগ কৰা আৰু উজনি অসমলৈ কাম কৰিবলৈ যোৱা দেশী শ্ৰমিকসকলক সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

০০০০০

গোলাঘাটৰ জিলা আয়ুক্ত ডা০ উদয় প্ৰবীণৰ সভাপতিত্বত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত প্ৰধানমন্ত্ৰী আদৰ্শ গ্ৰাম যোজনা এখন সভা অনুষ্ঠিত হয়। সভাখনত এই আঁচনিখনৰ কাম-কাজ আৰু অগ্ৰগতিৰ খতিয়ান লোৱা হয়। জিলা আয়ুক্তগৰাকীয়ে এই যোজনাৰ বাবে নিৰ্বাচিত হিতাধিকাৰীসকলক প্ৰদান কৰিবলগীয়া সুবিধাসমূহ ৭ ছেপ্তেম্বৰৰ ভিতৰত প্ৰদান কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। সভাত জিলা উন্নয়ন আয়ুক্ত, জিলা চক্ৰ বিষয়া, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল আৰু খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

০০০০০

বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আজি যোৰহাট-তিতাবৰ পানীযোগান আঁচনিৰ অধীনত ৬টা বিশুদ্ধ খোৱাপানী যোগান আঁচনি উদ্বোধন কৰে। অসম-নাগালেণ্ড সীমান্তত অৱস্থিত এই পানীযোগান আঁচনিয়ে ৬৮২টা পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগান ধৰিব।

০০০০০

শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত অহা ১৪ ছেপ্তেম্বৰত শোণিতপুৰ জিলা আদালত প্ৰাংগনত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই বিশেষ লোক আদালতত মটৰ দুৰ্ঘটনা গোচৰ, দেৱানী গোচৰ, যান বাহন তথা আবকাৰী গোচৰ আৰু ফৌজদাৰী গোচৰসমূহ নিষ্পত্তি কৰা হ'ব। লোক আদালতৰ বিশেষত্ব হৈছে খৰতকীয়াকৈ গোচৰ নিষ্পত্তি কৰা। দেৱানী গোচৰৰ বাবে আদালতত পৰিশোধ কৰা মাচুল উভতাই দিয়া হয় আৰু আপিলৰ ব্যৱস্থা নাথাকে। সেয়েহে সংশ্লিষ্ট ব্যক্তিসকলে আগতীয়াকৈ আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰাৰ লগতে লোক আদালতৰ দিনা সমাধান কৰিব পাৰিব।

০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি যোৰহাটত উপস্থিত হৈ জিলা আয়ুক্ত আৰু কৃষি বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে যোৰহাট জিলাৰ ৩৫ খন গাঁৱত ৩১৯ হেক্টৰ ধাননিত **ৰাইচ হিছ্পা** নামৰ চৰহা পোকৰ আক্ৰমণৰ বাবে জিলাখনৰ ৫৮৯ গৰাকী কৃষক সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে সমগ্ৰ বিষয়টোৰ শেহতীয়া দিশৰ বুজ লোৱাৰ উদ্দেশ্যে কৃষি মন্ত্ৰীগৰাকীয়ে আজি এই বৈঠকত মিলিত হয়। তেওঁ কৃষকসকলৰ সকাহৰ বাবে জিলা কৃষি বিভাগে গ্ৰহণ কৰি থকা যাৱতীয় ব্যৱস্থাসমূহৰ বিষয়ে বিতংকৈ পৰ্যালোচনা কৰে। ২৮১ হেক্টৰ ধাননিত ইতিমধ্যে পোকৰ আক্ৰমণ ৰোধ হৈছে। কৃষকৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি ধাননিসমূহ পোকৰ উপদ্ৰৱৰ পৰা আগন্তুক সময়তো সুৰক্ষিত ৰাখিবলৈ ল'বলগীয়া প্ৰয়োজনীয় ব্যৱস্থা যাতে কোনো ত্ৰুটি নৰয়, তাৰ বাবে কৃষি মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে জিলাখনত চলি থকা পি এম কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, ডিজিটেল ক্ৰ'প ছাৰ্ভেকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি আঁচনিসমূহৰ ৰূপায়ণৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে বুজ লয়।

০০০০০

সমাপ্ত